# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-09-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। জি এছ্ টিৰ সংস্কাৰে কৃষিখণ্ডত ইতিবাচক প্ৰভাৱ পেলাব বুলি কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে।

২। অপাৰেচন সিন্দূৰে দেশৰ দ্ৰুত, নিৰ্ণায়ক আৰু নিখুঁট আক্ৰমণৰ সামৰ্থ প্ৰদৰ্শন কৰা বুলি বায়ু সেনাৰ মুৰববী এয়াৰ ছীফ মাৰ্শেল অমৰপ্ৰীত সিঙে মন্তব্য কৰিছে।

৩। ইজৰাইলী সেনা বাহিনীয়ে গাজা চহৰৰ ছুচ্চী টাৱাৰ নামৰ এটা ১৫ মহলীয়া অট্টালিকা ধবংস কৰিছে।

৪। বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

*আৰু*

৫। বেলাৰুচৰ আৰ্য়না ছাবালেংকাই ইউ এছ অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ অক্ষুন্ন ৰাখিছে।

ooooo

নতুনকৈ প্ৰৱৰ্তন কৰা সামগ্ৰী আৰু সেৱাকৰ জি এছ্ টিৰ হাৰ আৰু স্তৰসমূহে কৃষিখণ্ডত ইতিবাচক প্ৰভাৱ পেলাব বুলি কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি ভূপালত এখন সংবাদমেলত কয়, যে জি এছ্ টি ব্যৱস্থাৰ পৰিৱৰ্তনসমূহে বিশেষকৈ ক্ষুদ্ৰ আৰু মজলীয়া কৃষকসকলক লাভান্বিত কৰিব। তেওঁ কয়, যে কৃষি আহিলা-পাতিৰ ওপৰত আৰোপিত জি এছ্ টি হ্ৰাস কৰাৰ ফলত কৃষি কাৰ্যৰ ব্যয় হ্ৰাস পাব আৰু কৃষকসকলৰ আয় বৃদ্ধি পাব।

জৈৱ কীটনাশক আৰু সূক্ষ্ম পোষক দ্ৰব্যৰ ওপৰত আৰোপিত জি -এছ্ টি হ্ৰাস কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীচৌহানে কয়, যে ইয়াৰ ফলত কৃষকসকলক লাভান্বিত হোৱাই নহয়, বৰং এই সিদ্ধান্তই ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱ সাৰ ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিব। দুগ্ধ উৎপাদন খণ্ড সন্দৰ্ভত মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে গাখীৰ আৰু চীজৰ ওপৰত আৰোপিত জি এছ্ টি প্ৰত্যাহ্বাৰৰ সিদ্ধান্তই গ্ৰাহকসকলকে উপকৃত নকৰে- খেতিয়ক, গোপালক আৰু দুগ্ধ উৎপাদকসকলকো সকাহ দিব। শ্ৰীচৌহানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰাৰ বাবে এন ডি এ চৰকাৰে চলোৱা প্ৰচেষ্টাৰ শলাগ লয়। এই উদ্যমসমূহৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ট্ৰেক্টৰ, শস্য চপোৱা যন্ত্ৰ আৰু ৰোটাভেট'ৰ দৰে কৃষি কাৰ্যত ব্যৱহৃত আহিল ওপৰত আৰোপিত জি এছ্ টি ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে।

মন্ত্ৰীগৰাকীয়ে কয়, যে কৃষিৰ সৈতে জড়িত পশুপালন, মৌ পালন, মস্য পালন, হাঁহ-কুকুৰা পালন আৰু কৃষি বনপালনৰ দৰে  আনুসংগিক খণ্ডসমূহো জি এছ্ টি ৰেহাইৰ সিদ্ধান্তৰ দ্বাৰা লাভান্বিত হ'ব। এই সিদ্ধান্তই কৃষি অৰ্থব্যৱস্থা অধিক টনকিয়াল কৰিব বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে।

শ্ৰীচৌহানে লগতে গ্ৰামাঞ্চলৰ মহিলা, বিশেষকৈ হস্তশিল্প, চামৰাৰ সা-সামগ্ৰী আৰু দুগ্ধ উৎপাদন খণ্ডৰ সৈতে জড়িত আত্মসহায়ক গোটসমূহৰ ওপৰত পৰিব পৰা ইতিবাচক প্ৰভাৱৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে জি এছ টি ব্যৱস্থাৰ সংস্কাৰে ভালেসংখ্যক মহিলাক তেওঁলোকৰ আয় বৃদ্ধি কৰি আৰু আত্মসহায়ক গোট বিপ্লৱৰ গতি প্ৰদান কৰি বিত্তীয়ভাৱে সবল কৰি তুলিব।

শ্ৰীচৌহানে গাখীৰ আৰু চীজৰ ওপৰত আৰোপিত জি এছ্ টি প্ৰত্যাহাৰ কৰাৰ বাবে দুগ্ধ উৎপাদন খণ্ডত চাহিদা বৃদ্ধি পাব বুলি মন্তব্য কৰে। তেওঁ কয়, যে এই সিদ্ধান্তই অকল সাধাৰণ ৰাইজক লাভান্বিত কৰাই নহয় বৰং খেতিয়ক আৰু উৎপাদকসকলকো উপকৃত কৰিব। ইয়াৰ ফলত কৃষি অনুকূল ব্যৱস্থা অধিক শক্তিশালী হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

সামগ্ৰী আৰু সেৱাকৰ জি এছ্ টিৰ সংস্কাৰে নাগৰিকসকলক কিধৰণে উপকৃত কৰিব সেই বিষয়ে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ব্যক্তিগতভাৱে নিৰীক্ষণ কৰিব বুলি প্ৰকাশ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত মন্ত্ৰী সীতাৰমনে কয়, যে জি এছ্ টিৰ সংস্কাৰক সমগ্ৰ দেশৰ জনসাধাৰণে আদৰণি জনাইছে। যদিহে এই সংস্কাৰৰ জৰিয়তে কোনো লোক উপকৃত নহয়, তেন্তে তেওঁলোকক এই বিষয়ে জনাবলৈ বিত্তমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয়, যে জি এছ্ টিৰ সংস্কাৰৰ বাবে দীঘলীয়া কৰ্মসময় আৰু আমোলা পৰ্যায়ৰ প্ৰচেষ্টাৰ প্ৰয়োজন আছে।

ooooo

অপাৰেচন সিন্দূৰে দেশৰ দ্ৰুত, নিৰ্ণায়ক আৰু নিখুঁট আক্ৰমণৰ সামৰ্থ প্ৰদৰ্শন কৰা বুলি বায়ু সেনাৰ মুৰব্বী এয়াৰ ছীফ মাৰ্শেল অমৰপ্ৰীত সিঙে মন্তব্য কৰিছে। চেন্নাইত কালি বিষয়া প্ৰশিক্ষণ একাডেমীৰ দীক্ষান্ত সমাৰোহত ভাষণ দি বায়ুসেনাৰ মুৰব্বীগৰাকীয়ে নতুন বিষয়াসকলক ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সময়ত একতাৰ মনোভাৱ বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। এই অনুষ্ঠানৰ জৰিয়তে ১৩০ গৰাকী পুৰুষ আৰু মহিলা বিষয়াক সেনা বাহিনীত অন্তৰ্ভুক্ত কৰা হয়। বিষয়া প্ৰশিক্ষণ একাডেমীত মিত্ৰদেশৰ ৯ গৰাকী পুৰুষ আৰু ১২ গৰাকী মহিলাসহ মুঠ ২১ গৰাকী বিদেশী কেডেটেও প্ৰশিক্ষণ সম্পন্ন কৰে। অনুষ্ঠানত বায়ুসেনাৰ মুৰব্বীগৰাকীয়ে আধুনিক সমৰকলা আৰু সংহত ব্যৱস্থা গ্ৰহণৰ আৱশ্যকতাৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ মাধ্যমেৰে স্থলসেনা বাহিনী, জল সেনাবাহিনী, বায়ু সেনাবাহিনী আৰু অন্য ৰাষ্ট্ৰীয় সুৰক্ষা সংস্থাৰ মাজত সফল সমন্বয় থকাৰ কথা প্ৰমাণিত হৈছে। সশস্ত্ৰ বাহিনীসমূহ দেশৰ বিপৰ্যয়ৰ সময়ত প্ৰথমে সঁহাৰি জনোৱা প্ৰধান শক্তি বুলি বায়ুসেনাৰ মুৰব্বীগৰাকীয়ে মন্তব্য কৰে।

ooooo

ইজৰাইলী সেনা বাহিনীয়ে গাজা চহৰৰ ১৫ মহলীয়া অট্টালিকা ছুচী টাৱাৰ ধ্বংস কৰে। এয়া হৈছে ইজৰাইলী সেনা বাহিনীৰ যোৱা ২৪ ঘণ্টাত দ্বিতীয়টো বৃহৎ অট্টালিকা আক্ৰমণ। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে হামাছ উগ্ৰপন্থীসকল এই অট্টালিকাত লুকাই থকাৰ অভিযোগ উত্থাপন কৰি আক্ৰমণ চলোৱা বুলি প্ৰকাশ কৰে। অৱশ্যে

পেলেস্তানৰ ফালৰ পৰা এই অভিযোগ নাকচ কৰা হৈছে। এই আক্ৰমণত হতাহতৰ প্ৰকৃত সংখ্যা জানিব পৰা হোৱা নাই যদিও বহুকেইটা পেলেস্তাইনী পৰিয়ালৰ সদস্য নিহত হোৱাটো নিশ্চিত হৈছে।

পশ্চিম গাজা চহৰৰ ১৩ মহলীয়া অট্টালিকা মুস্তাহা টাৱাৰৰ আক্ৰমণৰ পাছতেই বিগত ২৪ ঘণ্টাত ইজৰাইলী বাহিনীৰ এয়া আছিল দ্বিতীয়টো বৃহৎ আক্ৰমণ। ইফালে, ৰাষ্ট্ৰসংঘই অল মাৱাছিৰ আশ্ৰয় শিৱিৰত সৃষ্টি হোৱা অতিমাত্ৰা ভিৰ আৰু অ-সুৰক্ষিত পৰিৱেশৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰিছে।

ooooo

সাধাৰণ আৰু আঞ্চলিক দুয়োটা নিৰ্বাচনতে বিজয় সাব্যস্ত কৰা গায়েনাৰ ৰাষ্ট্ৰপতি ইৰফান আলিক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শুভেচ্ছা জ্ঞাপন কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে গায়েনাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰত আৰু গায়েনাৰ অংশীদাৰিত্বক আৰু অধিক শক্তিশালী ৰূপত আগবঢ়াই নিব।

প্ৰধানমন্ত্ৰী শ্ৰীমোডীৰ বাৰ্তাৰ প্ৰতি সঁহাৰি জনাই, গায়েনাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ইতিমধ্যে দুয়োদেশৰ মাজত থকা শক্তিশালী আৰু পাৰস্পৰিক সম্পৰ্কক আগুৱাই নিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী তথা চৰকাৰ আৰু ভাৰতৰ জনসাধৰণৰ সৈতে কাম কৰি যাবলৈ আন্তৰিক আগ্ৰহ প্ৰকাশ কৰিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তথ্য অনুসৰি ১৯৬৫ চনতে ভাৰত আৰু গায়েনাৰ মাজত সম্পৰ্ক স্থাপিত হৈছিল আৰু ভাৰতে জৰ্জ টাউনত এটা আয়োগ স্থাপন কৰিছিল। ১৯৬৬ চনৰ ২৬ মেত গায়েনাৰ স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি ১৯৬৮ চনত পূৰ্বে স্থাপন কৰা আয়োগটো উচ্চায়োগলৈ উন্নীত কৰা হয়।

ooooo

বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ভাৰতে কালি ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত চীনক ৭-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। এই জয়ৰ সুবাদত ভাৰত ছুপাৰ ফ'ৰ পৰ্যায়ৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। দক্ষিণ কোৰিয়াই মালেয়েছিয়াক ৪-৩ গলত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে।

ইপিনে, প্ৰতিযোগিতাত পঞ্চমৰ পৰা অষ্টম স্থান নিশ্চিতকৰণৰ বাবে হোৱা এখন খেলত কালি কাজাখস্তানে চীনা টাইপিক ৬-৪ গলত পৰাস্ত কৰে।

ooooo

বিশ্বৰ ১ নম্বৰ স্থানৰ খেলুৱৈ বেলাৰুচৰ আৰ্য়না ছাবালেংকাই ইউ এছ অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ অক্ষুন্ন ৰাখিছে। যোৱাবাৰৰ চেম্পিয়ন ছাবালেংকাই যোৱানিশা ফাইনেলত অমান্দা অনিশ্বিমোভাক ৬-৩, ৭-৬ পোনপটীয়া ছেটত পৰাস্ত কৰি খেলুৱৈ জীৱনৰ চতুৰ্থটো গ্ৰেণ্ডশ্লেম খিতাপ হস্তগত কৰে। পুৰুষৰ ডাবলছত স্পেইনৰ মাৰ্শেলো গ্ৰেনোলৰ্ছ আৰু আৰ্জেণ্টিনাৰ হোৰেচিঅ' জেবালোচৰ যুটীটোৱে ব্ৰিটেইনৰ জো

চেলিচবেৰি আৰু নীল স্কুপস্কিৰ যুটীটোক ৩-৬, ৭-৬, ৭-৫ ছেটত পৰাভূত কৰি খিতাপ অৰ্জন কৰে। পঞ্চম বাছনিপ্ৰাপ্ত এই যুটীটোৱে এইবাৰ ফ্ৰেঞ্চ অপেন টেনিছ প্ৰতিযোগিতাৰো খিতাপ অৰ্জন কৰিছে।

ইপিনে, ইটালীৰ জেনিক ছিনাৰে প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। তেওঁ ছেমিফাইনেলত  কানাডাৰ ফেলিক্স আউজাৰ-আলিয়াছাইমক ৬-১, ৩-৬, ৬-৩, ৬-৪ ছেটত পৰাস্ত কৰে। বহু প্ৰত্যাশিত ফাইনেলত জেনিক ছিনাৰ আজি নিশা স্পেইনৰ কাৰ্লছ আলকাৰাজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

**সমাপ্ত**